**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ। আজিৰে পৰা বিজেপিয়ে ৰাজ্যজুৰি ন্যায় যাত্ৰা।

২। নগাঁৱত আজি মুখ্যমন্ত্ৰীৰ ২৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন।

৩। অৰুণাচলৰ নামচাইত সেনাবাহিনী আৰু আলফা স্বাধীনৰ গুলীয়াগুলিত এজন উগ্ৰপন্থী নিহত।

৪। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ্থীৰ বাবে আজি অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ। **আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ ১৫০ ৰানত জয়লাভ।

০০০০০০

ৰাজ্য চৰকাৰে শিল্পী জুবিন গাৰ্গৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত ৫ জনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ বুজ লোৱাৰ বাবে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে স্থানীয় গাঁওবাসীৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, যে জুবিন গাৰ্গক এশ শতাংশ ন্যায় দিয়া হ'ব আৰু এয়া তেওঁৰ সংকল্প। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়েও তদন্ত আৰম্ভ কৰিছে আৰু আৰক্ষীয়ে চলোৱা তদন্তৰ প্ৰতিবেদন অতি সোনকালে ন্যায় পালিকাই লাভ কৰিব বুলিও তেওঁ কয়। কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অতি সোনকালে এখন ফাষ্ট ট্ৰেক আদালত গঠন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে যোৱা ১৫ অক্টোবৰত সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি কয়।

**বাইট (চি এম)**

উল্লেখযোগ্য যে বাক্সা জিলাৰ কুৰেৰী লক্ষ্মী মন্দিৰত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি কালি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১৫ অক্টোবৰত জিলা কাৰাগাৰৰ সন্মুখত সংঘটিত ঘটনাত আহত দুজন লোকৰ চিকিৎসাৰ বাবে ২ লাখ টকাকৈ চেক প্ৰদান কৰে। আহত দীপক মেধি আৰু বিদ্যুৎ কলিতাৰ চিকিৎসাৰ বাবে পৰিয়ালৰ লোক এই চেক প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে দুয়োজন ব্যক্তিৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বাক্সাৰ নিকাছিৰ ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ১৫ অক্টোবৰৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ আঁৰত যদি কোনো দুষ্কৃতিকাৰী জড়িত আছে তেন্তে তেওঁলোকে শাস্তি পাবই বুলি মন্তব্য কৰিছে। এই ঘটনাত কোনো আৰক্ষী বিষয়া জড়িত থাকিলে তেওঁলোকেও শাস্তি পাব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

**বাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত সঠিক দিশত আগবঢ়া নাই বুলি অভিযোগ কৰি অসম প্ৰদেশ কংগ্ৰেছে এই তদন্ত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইৰ দ্বাৰা কৰিব লাগে বুলি দাবী জনাইছে। কালি এখন

সংবাদমেলত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই দাবী জনোৱাৰ লগতে এছ আই টিৰ দ্বাৰা হোৱা তদন্তত এটা প্ৰভাৱশালী চক্ৰই বিধি পথালি দিয়াৰ সম্ভাৱনা আছে বুলি কয়।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায়ালয়ৰ জৰিয়তে ন্যায় প্ৰদান কৰাৰ বাবে আজিৰে পৰা বিজেপিয়ে ৰাজ্যজুৰি ন্যায় যাত্ৰা আৰম্ভ কৰিব। আজি নলবাৰীৰ ছহিদ মুকুন্দ কাকতি খেলপথাৰৰ পৰা গৰ্ডন খেলপথাৰলৈ শাসকীয় দলটোৱে এই যাত্ৰা আৰম্ভ কৰিব। এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱা অংশগ্ৰহণ কৰিব। ৩০ অক্টোবৰলৈকে প্ৰতিখন জিলাৰ সদৰতে এই ন্যায় যাত্ৰা উলিওৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ প্ৰকৃত অনুৰাগীসকলক বিজেপিৰ এই ন্যায় যাত্ৰাত অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰা মতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত যাতে ক্ষিপ্ৰ হয় আৰু দোষীয়ে যাতে উচিত শাস্তি লাভ কৰে তাৰ বাবে দলটোৱে এই ন্যায় যাত্ৰা কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিনজোৰা কাৰ্যসূচীৰে নগাঁও জিলা ভ্ৰমণ কৰি ২৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে ঐতিহ্যমণ্ডিত নেহৰুবালিত আয়োজন কৰা এখন জনসভাত অংশ লৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ২৫ হাজাৰৰো অধিক অৰ্হতাসম্পন্ন মহিলাক ১০ হাজাৰ টকাকৈ মূলধন প্ৰদান কৰিব। তেওঁ নগাঁও আৰৱৰ্তভৱন চাৰিআলিৰ পৰা পানীগাঁও চাৰিআলিলৈ ৫ কোটি ২০ লাখ টকা ব্যয়েৰে নিৰ্মিত গৌৰৱ পথছোৱা মুকলি কৰিব। তদুপৰি ৮ কোটি ৭৩ লাখৰো অধিক ধন ব্যয়সাপেক্ষ কেইবামহলীয়া নতুন বজাৰগৃহ আৰু ৭ কোটি ১৩ লাখৰো অধিক টকা ব্যয়সাপেক্ষ অত্যাধুনিক ছুইমিং পুল উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ মতিৰাম বৰা পথত নৱনিৰ্মিত স্বাস্থ্য সেৱাৰ যুটিয়া সঞ্চালকৰ নতুন কাৰ্যালয় ভৱনো মুকলি কৰিব। চাৰি কোটি ২৭ লাখ টকা ব্যয়েৰে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণ সন্দৰ্ভত এয়া নগাঁৱৰ পৰা আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া –

**ৰাইট**

০০০০০০

অৰুণাচলৰ নামচাইত সেনাবাহিনী আৰু আলফা স্বাধীনৰ ভয়ংকৰ গুলীয়াগুলিত আজি এজন উগ্ৰপন্থী নিহত হয়। আলফা স্বাধীনৰ ৭ জনীয়া এটা দলে অৰুণাচলত প্ৰৱেশ কৰাৰ সময়ত সেনাবাহিনীৰ সৈতে সংঘৰ্ষ হয়। নামচাইৰ ছয়মাইলত হোৱা সংঘৰ্ষত আলফাৰ বনজিত অসম নামৰ কেডাৰজনৰ থিতাতে নিহত হয়। নিহত কেডাৰজনৰ ঘৰ তিনিচুকীয়াৰ পেঙেৰীৰ ঋতুকঠালগুৰিত বুলি জানিব পৰা গৈছে।

ইপিনে সেনাবাহিনীয়ে মঙলবাৰে পুৱতি নিশা অৰুণাচলৰ ভাৰত-ম্যানমাৰ সীমান্তত এন এছ চি এন কে (ৰাই এ)ৰ শিবিৰত ড্ৰোনেৰে আক্ৰমণ চলায়। সেনাবাহিনীৰ এই আক্ৰমণত এছ এছ খাপলাঙৰ ভতিজাক ইয়ুং আং নেতৃত্বাধীন এন এছ চি এন কে গোটৰ শীৰ্ষ কামাণ্ডৰসহ ৮ জন কেডাৰ নিহত হোৱাৰ তথ্য পোৱা গৈছে। উল্লেখযোগ্য যে যোৱা ১৬ অক্টোবৰত এন এছ চি এন কেয়ে আছাম ৰাইফলছৰ শিবিৰত আক্ৰমণ সংঘটিত কৰিছিল।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চত হ'বলগা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগা শিক্ষাৰ্থীসকলৰ বাবে আজি অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব। ২০ নৱেম্বৰত এই অনলাইন প্ৰক্ৰিয়াৰ অন্ত পৰিব। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ বাবে অফলাইন প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা নাথাকিব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এটা নিৰ্দেশযোগে জানিবলৈ দিছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানৰ মুৰববীক নিৰ্দেশ দিয়া

হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ বাবে নিৰ্ধাৰিত মাছুল আদায় দিব লাগিব যদিও পিতৃ-মাতৃৰ বছৰেকীয়া উপাৰ্জন ২ লাখ টকা বা তাতোকৈ কম আয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ মাছুল চৰকাৰী নীতি অনুসৰি ৰেহাই দিয়া হ'ব।

oooooo

অহা বছৰৰ প্ৰথম ভাগত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত পৰীক্ষা কেন্দ্ৰ সমিতি গঠন কৰিবলৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে নিৰ্দেশনা প্ৰকাশ কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰতিটো পৰীক্ষা কেন্দ্ৰৰ দায়িত্বত থকা বিষয়াই অহা ৩১ অক্টোবৰৰ পূৰ্বে একোখনকৈ সমিতি গঠন কৰিবলৈ সাধাৰণ সভা আহ্বান কৰিব লাগিব। এই সভাত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক উপস্থিত থকাটো নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীৰ অভিভাৱক, স্থানীয় শিক্ষাবিদ, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, আৰক্ষী বিষয়াকে ধৰি কমেও ৫০ জন লোক সভাত উপস্থিত থাকিব লাগিব বুলি নিৰ্দেশনাত কোৱা হৈছে।

oooooo

পবিতৰা অভয়াৰণ্য কাইলৈ পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বাৰিষাৰ বাবে বন্ধ হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি অভয়াৰণ্যখনৰ মাণ্ডলিক বিষয়া প্ৰাঞ্জল বৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয় যে অভয়াৰণ্যখন মুকলি কৰাৰ লগে লগে পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১বিধ মাছ আৰু ৩৭৫টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

oooooo

অসমত টেলিভিছন সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত বাটকটীয়া হৈছে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ১৯৮৫ চনত অসমত প্ৰথম টেলিভিছন বাতৰি সেৱা আৰম্ভ কৰাৰ সময়ৰ কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক লগ পাব অহা ২৫ অক্টোবৰৰ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। টেলিভিছনত বাতৰি প্ৰচাৰৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সম্পৰ্কত বহু কথা এই অনুষ্ঠানত উন্মোচিত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোত কালি নিশা অনুষ্ঠিত খেলত দক্ষিণ আফ্ৰিকাই পাকিস্তানক ১৫০ ৰানত পৰাস্ত কৰে। বৰ্ষাবিঘ্নিত খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ৪০ অভাৰত ৯টা উইকেট হেৰুৱাই ৩১২ ৰান সংগ্ৰহ কৰে।  ডি এল এছ পদ্ধতিৰে দলটোৱে মেৰিজেন কেপৰ অলৰাউণ্ড প্ৰদৰ্শন আৰু লৌৰা ৱলভাৰডট্ছৰ ৯০ ৰানৰ সহায়ত পাকিস্তানক পৰাস্ত কৰে। দলটোৰ হৈ ছুনে লুছে ৬১ ৰান আৰু মেৰিজেন কেপে ৬৪ ৰানৰ বৰঙণি আগবঢ়ায়। এই জয়ৰ ফলত দক্ষিণ আফ্ৰিকা পইণ্ট তালিকাৰ শীৰ্ষত অধিষ্ঠিত হোৱাৰ লগতে প্ৰতিযোগিতাৰ পৰা পাকিস্তানৰ বিদায় নিশ্চিত হয়। ৬ খন খেলৰ পৰা দক্ষিণ আফ্ৰিকাই এতিয়ালৈকে ১০ পইণ্ট অৰ্জন কৰিছে।

oooooo

বাহৰেইনৰ ৰাজধানী মানামাত আজিৰেপৰা ৩১ অক্টোবৰলৈ তৃতীয় এছিয়ান য়ুথ গেমছ অনুষ্ঠিত হ'ব। এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাগ লোৱাৰ বাবে অসমৰ হাই জাম্পাৰ জুবিন গোহাঁই নিৰ্বাচিত হৈ ভাৰতীয় এথলেটিক্চ

দলত স্থান লাভ কৰিছে। ১৪ৰ পৰা ১৭ বছৰ অনুৰ্ধ খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাত বিশ্বৰ ৪৫ খন দেশৰ দুহেজাৰ খেলুৱৈয়ে ২১ বিধ খেলত ভাগ ল'ব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত ভিন ভিন গুৰুত্বপূৰ্ণ বাতৰিয়ে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে ভাৰত-ম্যানমাৰ সীমান্তত এন এছ চি এন (কে)ৰ শিবিৰত ভাৰতীয় সেনাৰ ড্ৰোণ আক্ৰমণৰ বাতৰি 'শীৰ্ষ কমাণ্ডৰসহ ৮ জন নগা বিদ্ৰোহী নিহত' শিৰোনামেৰে প্ৰকাশ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়তে নিষ্পত্তি নোহোৱাকৈ থকা ৫৮ হাজাৰ ৩৪ টা গোচৰৰ বিষয়ে **দৈনিক অসম** কাকতৰ শিৰোনাম 'ছয় লক্ষাধিক গোচৰেৰে ভাৰাক্ৰান্ত ৰাজ্যৰ আদালত'। **দি আছাম ট্ৰিবিউন** কাকতে বাক্সাত সংঘটিত হিংসাত্মক ঘটনাৰ বাবে সাংবাদিকসকলক দোষাৰোপ কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটৰ দুজন সদস্য ছিংগাপুৰত এটা পাঁচজনীয়া আৰক্ষী বাহিনীৰ দলৰ সৈতে বৈঠকত মিলিত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। 'ম্যানমাৰ সীমান্তত যুদ্ধ সদৃশ পৰিস্থিতি' শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে আজিৰ প্ৰধান বাতৰি পৰিৱেশন কৰিছে। **আমাৰ অসম** কাকতে জনজাতিকৰণৰ দাবীত অসমৰ ছটা জনগোষ্ঠীয়ে আন্দোলন চলাই থকাৰ সময়তে চুতীয়া আৰু আট্‌ছাই জনজাতিকৰণৰ দাবী তোলাৰ বিষয়ে 'এটাৰ পাছত আনটো জনগোষ্ঠীৰ আন্দোলন ঘোষণা' শীৰ্ষক বাতৰি প্ৰকাশ কৰিছে। 'দিল্লীৰ আকাশত বিষবাস্পৰ আচ্ছাদন' শিৰোনামেৰে দীপাবলীৰ সময়ত ৰাজধানী চহৰত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পোৱাৰ বিষয়ে **নিয়মীয়া বাৰ্তা** কাকতে বিস্তৃত বাতৰি পৰিৱেশন কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডকমকাৰ হাবেৰাম ৰংফাৰ সোঁৱৰণী খেলপথাৰত কাইলৈৰ পৰা স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত শিশুকে ধৰি ১৮ বছৰৰ অনুৰ্ধৰ কিশোৰ-কিশোৰীসকলক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। ডিফুস্থিত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কক্ষত আয়োজিত এখন সংবাদমেলত জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক কাবান তেৰংপিয়ে এইকথা জানিবলৈ দিয়ে।

ইফালে, তামুলপুৰ বাণিজ্য মহাবিদ্যালয় খেলপথাৰত আজি মেগা স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। তামুলপুৰ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক হিতেশ চন্দ্ৰ কাকতিয়ে কালি বিয়লি এখন সংবাদমেলত প্ৰকাশ কৰা মতে, তামুলপুৰ জিল্যা স্বাস্থ্য কমিটীৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি পুৱা চাৰে ৯ বজাৰ পৰা বিধানসভা সমষ্টিভিত্তিক এই

স্বাস্থ্য মেলা আৰম্ভ হ'ব। স্বাস্থ্যমেলাত ১৮ বছৰ বয়সৰ তলৰ সকলো শিশু, কিশোৰ-কিশোৰীক ৫০ বিধ ৰোগৰ চিকিৎসা বিনামূলীয়াকৈ আগবঢ়োৱা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত